**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। নীটৰ প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে পালন কৰা ভূমিকাক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি ব্যাহত হয়।

২। লোক পৰীক্ষা অসাধু পন্থা প্ৰতিৰোধী সংশোধনী বিধেয়ক, ২০২৬-ৰ বিবেচনা আৰু গ্ৰহণৰ বাবে আজি ৰাজ্যসভাত উত্থাপন কৰা হ'ব।

৩। অসমৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে।

৪। প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিজুলী যোজনাৰ অধীনত জম্মু-কাশ্মীৰত প্ৰায় ৩৯ হাজাৰ পৰিয়াল উপকৃত হৈছে।

*আৰু*

৫। নৌ সেনাৰ ফুটবল দলে আজি ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব।

০০০০০০০

নীট পৰীক্ষাৰ বিষয়ক লৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ ভূমিকা সন্দৰ্ভত বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই গ্লাছগ'ত অনুষ্ঠিত কমনৱেল্থ গেমছত পুৰুষৰ ১০০ মিটাৰ দৌৰত সোণৰ পদক জয় কৰা পেৰা এথলীট দিলীপ মহাদু গাৱিট আৰু ৰূপৰ পদক জয় কৰা মহম্মদ বাছিল মৰ্ছিংগানাকাথিক অভিনন্দন জনায়। শ্ৰীবিৰলাই দেশলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে খেলুৱৈ দুগৰাকী আৰু তেওঁলোকৰ প্ৰশিক্ষকক সদনৰ সকলো সদস্যৰ হৈ শুভেচ্ছা জ্ঞাপন কৰে। পাছত অধ্যক্ষই প্ৰশ্নকাল আৰম্ভ কৰাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ ভূমিকাক লৈ শ্ল'গান দিবলৈ আৰম্ভ কৰে। বিৰোধী সাংসদসকলে বিষয়টো সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বিবৃতিৰ বাবে দাবী জনায়। শ্ৰীবিৰলাই সদনৰ প্ৰশ্নকাল আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি উভয় সদনৰ সকলো সদস্যক এই সময়ছোৱাত সদনৰ কাৰ্যক্ৰমণিকাক ব্যাঘাত নজন্মাবলৈ আহ্বান জনায়। সদনৰ কাম-কাজত বাধা আৰোপ কৰাটো সংসদীয় পৰম্পৰাৰ পৰিপন্থী বুলি শ্ৰীবিৰলাই উল্লেখ কৰে।

**বাইট (ওম বিৰলা)**

পাছত হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ঘোষণা কৰে।

০০০০০০০০০

লোক পৰীক্ষা অসাধু পন্থা প্ৰতিৰোধী সংশোধনী বিধেয়ক, ২০২৬-ৰ বিবেচনা আৰু গ্ৰহণৰ বাবে আজি ৰাজ্যসভাত উত্থাপন কৰা হ'ব। কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন দপ্তৰৰ ৰাজ্য মন্ত্ৰী ডং জিতেন্দ্ৰ সিঙে বিয়লি সদনত এই বিধেয়কখন উত্থাপন কৰিব।

দিনৰ ১১ বজাত উচ্চ সদন মিলিত হোৱাৰ সময়ত প্ৰশ্নোত্তৰ কালৰ কাম আৰম্ভ কৰি সভাপতি চি পি ৰাধাকৃষ্ণনে সদনৰ বিবেচনা আৰু গ্ৰহণৰ বাবে অসাধু পন্থা প্ৰতিৰোধী সংশোধনী বিধেয়ক, ২০২৬ উত্থাপন কৰাৰ বাবে ডং জিতেন্দ্ৰ সিঙৰ পৰা জাননী লাভ কৰা বুলি স্বীকাৰ কৰিছে। তেওঁ কয়, যে সাংসদসকলে যাতে সংশোধনৰ প্ৰস্তাৱ উত্থাপন কৰিব পাৰে, তাৰ বাবে বিধেয়কখনৰ প্ৰতিলিপি সদস্যসকলৰ মাজত বিতৰণ কৰা হৈছে। লোকসভাত কালি বিধেয়কখন গৃহীত হয়।

বাইট ( চি পি ৰাধাকৃষ্ণণ)

বিধেয়কখনত ১০ বছৰলৈ কাৰাবাস, ১০ কোটি টকা পৰ্যন্ত জৰিমনা আৰু দোষী সাব্যস্ত হোৱা অপৰাধীৰ সম্পত্তি বাজেয়াপ্তকে ধৰি কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হৈছে। পৰীক্ষাৰ সৈতে জড়িত গোচৰসমূহৰ দ্ৰুত নিষ্পত্তিৰ বাবে প্ৰত্যেক ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক দৈনিক বিশেষ দ্ৰুত আদালত স্থাপনৰ অধিকাৰ প্ৰদান কৰা হৈছে। বিধেয়কখনত উল্লেখ কৰা অনুসৰি থানাত তথ্য লিপিবদ্ধ হোৱাৰ পৰা দুমাহৰ ভিতৰত গোচৰসমূহৰ তদন্ত আৰু অভিযোগনামা দাখিলৰ তিনি মাহৰ ভিতৰত গোচৰৰ শুনানি সম্পূৰ্ণ কৰিব লাগিব।

শূন্য কালত কংগ্ৰেছৰ প্ৰমোদ তিৱাৰীয়ে নীটৰ প্ৰশ্নকাকত ফাদিলৰ বিষয় লৈ শিক্ষাৰ্থীসকলে প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়ত আৰক্ষীয়ে শাস্তিমূলক ব্যৱস্থা লোৱাৰ বিষয়টো উত্থাপন কৰে। তেওঁ বিষয়টো সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিবৃতি দিব লাগে বুলি দাবী জনায়। ইয়াৰ প্ৰত্যুত্তৰত কেন্দ্ৰীয় মন্ত্ৰী তথা উচ্চ সদনৰ নেতা জে পি নাড্ডাই কয় যে বিৰোধী পক্ষই একমাত্ৰ সদনৰ কাম-কাজ বিঘ্নিত কৰাতেই গুৰুত্ব আৰোপ কৰা যেন পৰিলক্ষিত হৈছে। বিৰোধী পক্ষই উত্থাপন কৰিবলগীয়া একো বিষয় নথকাৰ বাবে বিষয়টো লৈ নেতিবাচক ৰাজনীতি কৰা বুলি তেওঁ অভিযোগ তোলে। মন্ত্ৰীগৰাকীয়ে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰ যিকোনো বিষয় লৈ আলোচনা কৰিবলৈ সদায় সাজু।

ইয়াৰ পাছতে শ্ৰীনাড্ডাই কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে বিয়লি লোক পৰীক্ষা অসাধু পন্থা প্ৰতিৰোধী বিধেয়কখন সদনত উত্থাপন কৰিব বুলি সদস্যসকলক জানিবলৈ দিয়ে। তেওঁ লগতে সদনৰ কাম-কাজ ব্যাহত কৰাৰ বাবে বিৰোধী পক্ষৰ সদস্যসকলৰ ভূমিকা আৰু আচৰণক গৰিহণা দিয়ে। ইয়াৰ পাছতে কংগ্ৰেছ, সমাজবাদী পাৰ্টি আৰু তৃণমূল কংগ্ৰেছকে ধৰি বিৰোধী পক্ষৰ সদস্যসকলে সদন কক্ষ ত্যাগ কৰে।

ooooooooo

অসমৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে। শিৱসাগৰ, গোলাঘাট, চৰাইদেউ, শোণিতপুৰ, যোৰহাট, নগাঁও আৰু কামৰূপ মহানগৰ জিলাৰ বহু অঞ্চল এতিয়াও প্লাৱিত হৈ আছে। কালি শিৱসাগৰ জিলাত দুজন আৰু গোলাঘাট জিলাত এজন লোকৰ মৃতদেহ উদ্ধাৰৰ পাছত সাম্প্ৰতিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৮ লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বান ক্ষতিগ্ৰস্ত লোকসকলৰ ঋণৰ কিস্তি সন্দৰ্ভত বেংকসমূহৰ সৈতে আজি গুৰুত্বপূৰ্ণ বৈঠকত

মিলিত হ'ব। কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ পৰামৰ্শমৰ্মে মুখ্যমন্ত্ৰীয়ে কেইবাটাও বেংকৰ প্ৰতিনিধিৰ সৈতে এই বিষয়ে আলোচনা কৰিব।

শিৱসাগৰ আৰু চৰাইদেউ জিলাত বান পৰিস্থিতি সামান্য উন্নত হৈছে। বানৰ কবলত পৰা বহু অঞ্চলৰ পানী শুকাইছে যদিও পলসত পোত খাই থকা বাবে অঞ্চলসমূহ এতিয়াও সম্পূৰ্ণৰূপে পৰিষ্কাৰ কৰিব পৰা হোৱা নাই। তদুপৰি বিভিন্ন অঞ্চলত খোৱাপানী সমস্যাইও দেখা দিছে। গোলাঘাট জিলাত বান পৰিস্থিতি সুস্থিৰ হৈছে যদিও ৭৫ খন গাঁৱৰ বহু অঞ্চল এতিয়াও বান প্ৰভাৱিত হৈ আছে।

নাগালেণ্ডৰ নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পত আজি পুৱা ৮ বজালৈ জলাধৰৰ পানীৰ স্তৰ ৩২২ দশমিক ৪ - ০ মিটাৰত আছে। প্ৰকল্পটোৰ ২, ৩ আৰু ৪ নম্বৰ স্পীলৱে গে'ট খুলি দিয়া হৈছে। স্পীল ৱেৰ জৰিয়তে প্ৰায় ৯৪ ঘনফুট পানী এৰি থকা হৈছে। যোৰহাট জলসম্পদ সংমণ্ডলৰ অধীনৰ মথাউৰিৰ খহনীয়া আৰু ছিগি যোৱা অংশৰ মেৰামতিৰ কাম চলি আছে।

ইপিনে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ এটা ১৫ জনীয়া প্ৰতিনিধি দলে আজি উজনি অসমৰ চাৰিখন জিলা ভ্ৰমণ কৰি ক্ষয়-ক্ষতিৰ বুজ ল'ব। দলটোৱে এই জিলাকেইখনত এম জি এনৰেগাৰ হিতাধিকাৰীসকলৰ বাবে ভি বি জী ৰামজী আঁচনি ৰূপায়ণকে ধৰি পুনৰ সংস্থাপনৰ বাবে বিভিন্ন দিশত তদাৰক কৰিব বুলি মন্ত্ৰী অতুল বৰাই কালি অসম বিধানসভাৰ অন্তিম দিনা সদনত প্ৰকাশ কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিজুলী যোজনাৰ অধীনত জম্মু-কাশ্মীৰত প্ৰায় ৩৯ হাজাৰ পৰিয়াল উপকৃত হৈছে। লোকসভাত  এটা লিখিত প্ৰশ্নৰ উত্তৰত নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে এই তথ্য প্ৰকাশ কৰে বুলি আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনাইছে। মন্ত্ৰালয়ে জনোৱা মতে, কেন্দ্ৰীয় শাসিত অঞ্চলটোত যোৱা ২৪ জুলাইলৈ ৩৮ হাজাৰ ৯৫৫ টা বাসগৃহৰ ছাদত সৌৰ পেনেল স্থাপন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হয়। ইয়াৰে ৩৮ হাজাৰ ৩১৮ টা ৩ কিলোৱাট পিকযুক্ত, ৩৮৭ টা ২ৰ পৰা ৩ কিলোৱাট পিকযুক্ত আৰু ১০৩ টা ২ কিলোৱাট পিকযুক্ত। জম্মু-কাশ্মীৰত সৌৰ পেনেল স্থাপনৰ বাবে বেংকে ৫৩৩ দশমিক ০ - ৫ কোটি টকা মূল্যৰ ২৯ হাজাৰ ৪৪১ খন ঋণ আবেদনত অনুমোদন জনায় বুলি মন্ত্ৰালয়ে জানিবলৈ দিয়ে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কমনৱেল্থ গেমছত পেৰা এথলেটিকছৰ পুৰুষৰ ১০০ মিটাৰ দৌৰৰ T-47 শাখাত সোণ আৰু ৰূপৰ পদক জয় কৰা দিলীপ মহাদু গাৱিট আৰু মহম্মদ বাছিল মৰ্চিংগানাকাথিক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে ভাৰতৰ পেৰা এথলীটসকলে ক্ৰীড়া ক্ষেত্ৰত স্মৰণীয় অধ্যায় লিপিবদ্ধ কৰিছে। দুয়োগৰাকী পেৰা এথলীটে সোণ আৰু ৰূপৰ পদক জয় কৰাটো দেশৰ বাবে ঐতিহাসিক ক্ষণ বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে দুয়োগৰাকী খেলুৱৈয়ে তেওঁলোকৰ দক্ষতা আৰু দৃঢ়তাৰে দেশবাসীক অনুপ্ৰাণিত কৰি যাব বুলি আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণেও খেলুৱৈ দুগৰাকীক শুভেচ্ছা জনায়। তেওঁ লগতে পুৰুষৰ লং জাম্পত ৰূপৰ পদক লাভ কৰা মুৰলী শ্ৰীশংকৰক অভিনন্দন জনায়। এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে

খেলুৱৈকেইগৰাকীৰ এই সফলতা হৈছে দেশৰ এথলীটসকলৰ দক্ষতা, সমৰ্পণ আৰু ক্ৰীড়া উৎকৃষ্টতাৰ নিদৰ্শন। শ্ৰীৰাধাকৃষ্ণণে অনাগত সময়ত খেলুৱৈকেইগৰাকীৰ উজ্বল ভৱিষ্যৎ কামনা কৰে।

oooooooo

নৌ সেনাৰ ফুটবল দলে আজি ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব। মণিপুৰৰ ৰাজধানী ইম্ফলত হ'বলগীয়া গ্ৰুপ ডিৰ লীগ পৰ্যাযৰ দ্বিতীয়খন খেলত নৌসেনাৰ দলটো এফ চি ৰেংডাই দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বজাত আৰম্ভ হ'ব। ইপিনে, কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত আজি সন্ধিয়া ৭ বজাত হ'বলগীয়া প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত ছমলেশ্বৰী স্পোৰ্টিং দল বাগপট এফ চিৰ সন্মুখীন হ'ব।

ooooooooo

সমাপ্ত